ভাৰত চৰকাৰৰ অধীনৰ

**NATIONAL MEANS CUM MERIT SCHOLARSHIP (NMMS) EXAMINATION, 2025**

ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে চৰকাৰী বিদ্যালয়ত অধ্যয়নৰত আৰ্থিকভাৱে পিছপৰা (বাৰ্ষিক ঘৰুৱা উপাৰ্জন ৩ লাখ ৫০ হেজাৰ টকাৰ ভিতৰত) অষ্টম শ্ৰেণীৰ মেধাবী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে **NATIONAL MEANS CUM MERIT SCHOLARSHIP (NMMS) SCHEME** নামেৰে বাচনি পৰীক্ষা প্ৰতি বছৰে অনুষ্ঠিত কৰি আহিছে। এই বৃত্তি পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা মন্ত্ৰালয়ে জাৰি কৰা নীতি-নিৰ্দেশনা অনুসৰি বছৰি ১২,০০০/- (বাৰ হাজাৰ) টকাকৈ জলপানিৰ ধন নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ চাৰি বছৰৰ বাবে লাভ কৰে।

**আবেদনৰ প্ৰক্ৰিয়াঃ**

- ছাত্ৰ-ছাত্ৰীসকলে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ Web Portal **https://bidyarthi.co.in** দ্বাৰা Online যোগে আবেদন কৰিব পাৰিব।

**আবেদনৰ নিয়মাৱলীঃ**

- ছাত্ৰ-ছাত্ৰী অষ্টম শ্ৰেণীত অধ্যয়ন কৰি থকা হ'ব লাগিব।
- ছাত্ৰ-ছাত্ৰী অসম চৰকাৰৰ অধীনৰ চৰকাৰী, প্ৰাদেশীকৃত আৰু স্থানীয় সমিতিৰ দ্বাৰা পৰিচালিত বিদ্যালয়ত অধ্যয়ন কৰি থকা হ'ব লাগিব।
- ব্যক্তিগত বিদ্যালয়ৰ ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়েও নিজৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰ বাবে এই পৰীক্ষাত অবতীৰ্ণ হ'ব পাৰে। কিন্তু তেনে ছাত্ৰ-ছাত্ৰীক জলপানিৰ বাবে বিবেচিত কৰা নহয়।
- **NMMS** পৰীক্ষাৰ বাবে আবেদন কৰাৰ আগতে ছাত্ৰ-ছাত্ৰীসকলে **National Scholarship Portal (NSP)**-ত **One Time Registration (OTR)** কৰাটো বাধ্যতামূলক।
- আবেদনৰ সময়ত বিদ্যালয়ৰ সঠিক **UDISE** ব্যৱহাৰ কৰাটো বাধ্যতামূলক।
- আবেদনৰ সময়সীমা ২৫/০৭/২০২৫ তাৰিখৰ পৰা ৩০/০৯/২০২৫ তাৰিখলৈ স্থিৰ কৰা হৈছে।

**পৰীক্ষাৰ সবিশেষঃ**

- **Multiple Choice Question (MCQ)** আৰু **OMR** ভিত্তিত সম্পাদন কৰা এই পৰীক্ষাৰ প্ৰশ্নকাকত অতি উন্নত মানদণ্ডৰ হয়।
- ২০২৫ বৰ্ষৰ লিখিত পৰীক্ষা অহা ১৫/১১/২০২৫ তাৰিখে অনুষ্ঠিত হ'ব।
- প্ৰশ্নকাকত অসমীয়া, ইংৰাজী, হিন্দী, বেংগলী আৰু বড়ো মাধ্যমত উপলব্ধ হ'ব।
- দুই ভাগত বিভক্ত এই পৰীক্ষাৰ সূচী এনে ধৰণৰ হ'ব –

| প্ৰশ্নকাকত | পৰীক্ষাৰ বিষয় | মুঠ নম্বৰ |
|---|---|---|
| প্ৰথম প্ৰশ্নকাকত **(**1st Paper**)** | Mental Ability Test (MAT) | ৯০ **(**90**)** |
| দ্বিতীয় প্ৰশ্নকাকত **(**2nd Paper**)** | Scholastic Aptitude Test (SAT) | ৯০ **(**90**)** |

**আসনৰ সংখ্যা আৰু সংৰক্ষণঃ**

- অসম প্ৰদেশৰ বাবে মুঠ সংৰক্ষিত আসনৰ সংখ্যা ২৪১১
- প্ৰতিখন প্ৰশ্নকাকত উত্তীৰ্ণৰ বাবে প্ৰয়োজনীয় নম্বৰ এনে ধৰণৰ – সাধৰণ শ্ৰেণী আৰু অন্যান্য পিছপৰা শ্ৰেণী বাবে ৪০%, অনুসূচীত জাতি/জনজাতি আৰু বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ বাবে ৩২%

**পৰীক্ষাৰ কেন্দ্ৰঃ**

- ২০২৫ বৰ্ষৰ বাবে ১৪৩ টা পৰীক্ষা কেন্দ্ৰ নিৰ্দ্ধাৰিত কৰা হৈছে আৰু ছাত্ৰ-ছাত্ৰীসকলে আবেদনৰ সময়ত নিজৰ সুবিধা অনুযায়ী কেন্দ্ৰ বাচনি কৰিব পাৰিব।

**পৰীক্ষাৰ মাচুলঃ**

- সাধৰণ (UR) শ্ৰেণী আৰু অন্যান্য পিছপৰা শ্ৰেণী (OBC) ৰ বাবে ২০০ টকা, অনুসূচীত জাতি/জনজাতি (SC/ST)ৰ বাবে ১৮০ টকা আৰু বিশেষভাৱে সক্ষম (PwD) ছাত্ৰ-ছাত্ৰীৰ বাবে ১৭৫ টকা।

**ই-এডমিট কাৰ্ডঃ**

- ই-এডমিট কাৰ্ড মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ Web Portal **https://bidyarthi.co.in** যোগে ০৫/১১/২০২৫ ইং তাৰিখৰ পৰা উপলব্ধ হ'ব।

**পৰীক্ষাৰ ফলাফলঃ**

- পৰীক্ষাৰ ফলাফলসমূহ মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবচাইটত e-Result Booklet-ৰ মাধ্যমেৰে প্ৰকাশ কৰা হ'ব।

AllJobAssam.com

চাকৰি খবৰঃ নিৰ্ভৰযোগ্য চাকৰি খবৰৰ ৱেবচাইট
Googleত গৈ Search কৰিব
AllJobAssam.com